# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। সমগ্ৰ বিশ্বতে আজি মানৱ অধিকাৰ দিৱস পালন কৰা হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে নতুন দিল্লীত আয়োজন কৰা এটা অনুষ্ঠানক সম্বোধন কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ চলিত বৰ্ষৰ স্মাৰ্ট ইণ্ডিয়া হেকাথন প্ৰতিযোগিতাৰ চূড়ান্ত পৰ্যায়ত উপনীত হোৱা যুৱ উদ্ভাৱকসকলৰ সৈতে মত বিনিময় কৰিব।

৪। চৰকাৰে পৰৱৰ্তী তিনিটা বছৰত ২ লাখ বীমা সখীক নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰতে কালি মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ৫-০ গ'লত পৰাস্ত কৰে।

০০০০০

আজি মানৱ অধিকাৰ দিৱস। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাৰ সৈতে সংগতি ৰাখি প্ৰতিবছৰে আজিৰ দিনটোত এই দিৱস পালন কৰা হয়। ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সমগ্ৰ বিশ্বতে মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰ গ্ৰহণ কৰিছিল। এইবেলি মানৱ অধিকাৰ দিৱসৰ মূল বিষয় হৈছে- **আমাৰ অধিকাৰ, আমাৰ ভৱিষ্যৎ, এতিয়াই**। মানৱাধিকাৰ যে কেৱল এটা আকাংক্ষা নহয়, বৰং ই ব্যক্তি আৰু সম্প্ৰদায়ৰ সৱলীকৰণৰ দ্বাৰা তেওঁলোকৰ উন্নত ভৱিষ্যৎ নিৰ্মাণৰ ব্যৱহাৰিক আহিলাও - এই ধাৰণাতেই মানৱ অধিকাৰ দিৱসৰ চলিত বৰ্ষৰ বিষয়বস্তুৰ জৰিয়তে গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মানৱ অধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানক সম্বোধন কৰিব। ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে, আজি এই দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি মানসিক উৎকৰ্ষ সাধন - শ্ৰেণীকোঠাৰ পৰা কৰ্মক্ষেত্ৰলৈকে মানসিক চাপ নিয়ন্ত্ৰণ সন্দৰ্ভত এখন দিনজোৰা ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা অনুষ্ঠানত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাসমূহ প্ৰদান কৰিব। এইবেলি ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ বিভিন্ন শাখাৰ অধীনত মুঠ ৪৫টা বঁটা প্ৰদান কৰা হ'ব। বঁটা লাভ কৰা পঞ্চায়তসমূহৰ কৰ্মৰাজিয়ে তৃণমূল পৰ্যায়ৰ শাসন ব্যৱস্থাৰ পৰা সামূহিক উন্নয়নলৈ বিভিন্ন দিশত কৃতিত্ব প্ৰতিফলিত কৰিছে।

কাইলৈৰ অনুষ্ঠানত পঞ্চায়তীৰাজ মন্ত্ৰীয়ে বঁটা লাভ কৰা পঞ্চায়তসমূহৰ কাম-কাজৰ শ্ৰেষ্ঠ পদ্ধতি বিষয়ক এখন পুস্তিকা উন্মোচন কৰিব। এই পুস্তিকাখনত বঁটা লাভ কৰা পঞ্চায়তসমূহৰ উদ্ভাৱনী আৰু প্ৰভাৱশালী কৰ্মপদ্ধতিসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে অন্যান্য পঞ্চায়তসমূহক কাম-কাজৰ শ্ৰেষ্ঠ পদ্ধতিসমূহ গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলৰ সামগ্ৰিক উন্নয়নত অৰিহণা আগবঢ়াবলৈ অণুপ্ৰাণিত কৰাটোৱে ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ মূল উদ্দেশ্যে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে চলিত বৰ্ষৰ স্মাৰ্ট ইণ্ডিয়া হেকাথন প্ৰতিযোগিতাৰ চূড়ান্ত পৰ্যায়ত উপনীত হোৱা যুৱ উদ্ভাৱকসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰতিযোগিতাখনৰ চূড়ান্ত পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ তেৰশটাতকৈ অধিক দলে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত সমবেত হোৱা লোকসকলক উদ্দেশ্যি ভাষণ দিয়াৰো কথা আছে।

কাইলৈ স্মাৰ্ট ইণ্ডিয়া হেকাথন প্ৰতিযোগিতাৰ সপ্তম সংস্কৰণো ৰাষ্ট্ৰজুৰি ৫১টা কেন্দ্ৰৰ জৰিয়তে আৰম্ভ হ'ব। প্ৰতিযোগিতাখনিৰ ছফ্টৱেৰ সংস্কৰণটো অবিৰতভাৱে ৩৬ ঘণ্টালৈ চলাৰ বিপৰীতে হাৰ্ডৱেৰ সংস্কৰণ ১৫ ডিচেম্বৰলৈ অব্যাহত থাকিব। বিগত সংস্কৰণসমূহৰ দৰে এইবাৰো ছাত্ৰ-ছাত্ৰীৰ দলসমূহে শিক্ষাৰ্থী উদ্ভাৱন শাখাত ৰাষ্ট্ৰৰ সৈতে জড়িত ১৭টা বিষয়বস্তুৰ সন্দৰ্ভত নিজৰ ধাৰণা প্ৰদৰ্শন কৰিব নাইবা বিভিন্ন মন্ত্ৰালয়, বিভাগ তথা উদ্যোগে দিয়া সমস্যা সমাধানৰ ক্ষেত্ৰত কাম কৰিব।

চলিত বৰ্ষত ৫৪টা মন্ত্ৰালয়, বিভাগ, ৰাজ্য চৰকাৰ উদ্যোগ আদিয়ে ২৫০টা সমস্যা প্ৰতিযোগিতাত সমাধানৰ বাবে জমা কৰিছে।

ooooo

গ্ৰেটাৰ নয়দাৰ নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত কালি প্ৰথমখন বিমানে অৱতৰণ কৰে। নতুন দিল্লীৰ পৰা উৰা মৰা পৰীক্ষণমূলক এই বিমানখনে বিমান বন্দৰটোত দিনৰ ডেৰ বজাত অৱতৰণ কৰে। বিমানখনত ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ বিষয়াৰ লগতে কাৰিকৰী বিশেষজ্ঞও আছিল। বিমান বন্দৰটোত এনে ধৰণৰ পৰীক্ষণ অহা ১৫ ডিচেম্বৰলৈ অব্যাহত থাকিব। অহা বছৰৰ এপ্ৰিলত এই বিমান বন্দৰৰ পৰা প্ৰথমখন বাণিজ্যিক বিমানে উৰা মাৰিব বুলি আশা কৰা হৈছে। বিমান বন্দৰটোৰ প্ৰায় ৮৫ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হোৱা বুলি জানিব পৰা গৈছে।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয় কৈছে, যে দেশৰ ৰাজধানী অঞ্চল তথা উত্তৰ প্ৰদেশবাসী লোকৰ জীৱন সহজ কৰাৰ লগতে যোগাযোগৰ ব্যৱস্থাটোত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে যোগাযোগ ব্যৱস্থাৰ দ্ৰুত বিকাশৰ লগতে জনসাধাৰণৰ বাবে উচ্চ মানৰ আন্তঃগাঁথনি তৈয়াৰ কৰাৰ বাবে তেওঁৰ চৰকাৰে বহুকেইটা পদক্ষেপ লৈছে।

ooooo

চৰকাৰে পৰৱৰ্তী তিনিটা বছৰত ২ লাখ বীমা সখী অথবা বীমা এজেণ্টক নিযুক্তি দিয়াৰ পৰিকল্পনা কৰিছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতা ৰমনে কালি পানীপটত অনুষ্ঠিত বীমা সখী যোজনা মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চলিত বৰ্ষতে ২৫ হাজাৰ বীমা সখীক নিযুক্তি দিয়া হ'ব। প্ৰতিগৰাকী মহিলা স্বেচ্ছাসেৱক বীমা এজেণ্টে প্ৰথম বছৰত প্ৰতি মাহত ৭ হাজাৰ টকাকৈ, দ্বিতীয় বছৰত মাহিলী ৬ হাজাৰ টকাকৈ আৰু তৃতীয় বছৰত মাহিলী ৫ হাজাৰ টকাকৈ পাৰিতোষিক লাভ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হাৰিয়ানাৰ পানীপটত বীমা সখী যোজনা শীৰ্ষক অভিলাষী আঁচনিখন মুকলি কৰে। এল আই চিয়ে এই উদ্যমৰ জৰিয়তে দশম শ্ৰেণীৰ শিক্ষা সাং কৰা ১৮ৰ পৰা ৭০ বছৰ বয়সৰ ভিতৰত মহিলাসকলক সবলীকৰণৰ লক্ষ্য লৈছে। অনুষ্ঠানত শ্ৰীমতী সীতাৰমনে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে মহিলা সবলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। চলিত বৰ্ষৰ বাজেটত দেশত মহিলা সম্পৰ্কীয় আঁচনিসমূহৰ বাবে ৩ দশমিক ৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

জম্মু-কাশ্মীৰৰ পুঁচ জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপত কালি সংঘটিত লেণ্ডমাইন বিস্ফোৰণৰ ঘটনাত ভাৰতীয় সেনা বাহিনীৰ এগৰাকী জোৱান শ্বহীদ হয়। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি শ্বহীদগৰাকীক ২৫ ৰাষ্ট্ৰীয় ৰাইফলছৰ হাবিলদাৰ ভি চুববাইয়াহ ভৰিকুন্তা হিচাপে চিনাক্ত কৰা হৈছে। জিলাখনৰ মন্দি অঞ্চলৰ ছৱাজিয়ান খণ্ডত নিয়োজিত জোৱানগৰাকীয়ে ভুলবশতঃ লেণ্ডমাইনত খোজ দিয়াৰ ফলত বিস্ফোৰণটো সংঘটিত হয়। বিস্ফোৰণ সন্দৰ্ভত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই কালি মালয়েছিয়াৰ কুৱালালামপুৰত শ্ৰৱণ বাধাগ্ৰস্ত খেলুৱৈসকলৰ মাজত অনুষ্ঠিত এছিয়া প্ৰশান্ত মহাসাগৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ দশম সংস্কৰণত ৫৫টা বঁটা অৰ্জন কৰা ভাৰতীয় দলটোক সম্বৰ্ধনা জনায়। ভাৰতীয় দলটোৱে প্ৰতিযোগিতাখনত ৮টা সোণৰ, ১৮টা ৰূপৰ আৰু ২৯টা ব্ৰঞ্জৰ পদক দখল কৰে। পহিলা ডিচেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ অনুষ্ঠিত প্ৰতিযোগিতাখনত দেশৰ হৈ ৬৮ গৰাকী খেলুৱৈয়ে ভাগ লৈছিল। ইয়াৰ ভিতৰত ৪২ গৰাকী পুৰুষ আৰু ২৬ গৰাকী মহিলা খেলুৱৈ আছিল। এয়া হ'ল ১৯৮৪ চনৰ পৰা প্ৰতি ৪ বছৰৰ বিৰতিত অনুষ্ঠিত প্ৰতিযোগিতাখনত ভাৰতীয় দলৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

শ্ৰীমান্দাভিয়াই তেওঁৰ বাসগৃহত অনুষ্ঠিত বিশেষ মত বিনিময় অনুষ্ঠিত ভাৰতীয় দলৰ খেলুৱৈসকলৰ লগতে প্ৰশিক্ষক আৰু সহায়ক কৰ্মচাৰীবৃন্দক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত শ্ৰীমান্দাভিয়াই ভাৰত সম্প্ৰতি ক্ৰীড়াখণ্ডত আগবাঢ়ি গৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে ক্ৰীড়া আন্তঃগাঁথনি আৰু বিশেষ প্ৰশিক্ষণৰ সুবিধা উন্নত কৰাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

ভাৰতে কালি ওমানৰ মাস্কাটত চলি থকা মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত মালয়েছিয়াক ৫-০ গ'লত পৰাস্ত কৰে। এয়া হ'ল প্ৰতিযোগিতাখনৰ ইতিহাসত মালয়েছিয়াৰ বিৰুদ্ধে ভাৰতৰ একেলেঠাৰিয়ে তৃতীয়টো বিজয়।

ভাৰতৰ হৈ প্ৰতিযোগিতাৰ ৩২ সংখ্যক মিনিটত বৈষ্ণৱী ফালকেই প্ৰথমটো গ'ল দিয়ে। ভাৰতৰ কণিকা ছিৱাছে ৩৮ সংখ্যক মিনিটত আন এটা আৰু দিপিকাই ৩৭, ৩৯ আৰু ৪৮ সংখ্যক মিনিটত এটাকৈ গ'ল দি হেট্ৰিকৰ

জৰিয়তে দলৰ বিজয় সুনিশ্চিত কৰে। প্ৰতিযোগিতাৰ আন এখন খেলত আজি ভাৰত চীনৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব।

এই প্ৰতিযোগিতাখনক অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইচ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ যোগ্যতা নিৰ্ণয়কাৰী হিচাপে বিবেচনা কৰা হৈছে। চলিত প্ৰতিযোগিতাখনৰ শীৰ্ষ পাঁচটা দলে বিশ্বকাপৰ বাবে পোনপটীয়াকৈ যোগ্যতা অৰ্জন কৰিব।

ooooo

ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে অনুষ্ঠিত এদিনীয়া আন্তঃৰাষ্ট্ৰীয় বধিৰ ক্ৰিকেট শৃংখলাটো ৫-০ ফলাফলেৰে দখল কৰিছে। ২ৰ পৰা ৮ ডিচেম্বৰলৈ দিল্লীত অনুষ্ঠিত এই দ্বিপাক্ষিক ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতে আলহী দলটোক ১৩ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ছাই আকাশক মেন অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইপিনে, শৃংখলাটোত সৰ্বাধিক ১২টা উইকেট দখল কৰা শ্ৰীলংকাৰ আলানৰোজ কালেপক মেচ অব দ্যা ছিৰিজৰ সন্মান প্ৰদান কৰা হয়। ভাৰতীয় বধিৰ ক্ৰিকেট সন্থাই শ্ৰৱণ বাধাগ্ৰস্ত খেলুৱৈসকলৰ ক্ৰীড়া প্ৰতিভা প্ৰদৰ্শন কৰাৰ বাবে এই শৃংখলাৰ আয়োজন কৰিছিল।

ooooo

ওড়িশাৰ কটকত আজিৰে পৰা চলিত বৰ্ষৰ ওড়িশা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাখনৰ ১৫ ডিচেম্বৰত সামৰণি পৰিব। প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত শাশ্বত দালাল, ছিৰাগ সেন আৰু বৰুণ কাপুৰৰ লেখীয়া যুৱ তাৰকা খেলুৱৈয়ে দেশৰ হৈ অংশগ্ৰহণ কৰিব।

ooooo

**সমাপ্ত**